**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
-----------------------------

১। অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন অহা ২৪ জুনত আৰু ৰাজ্যসভাৰ ২৬৪ সংখ্যক অধিৱেশন ২৭ জুনত আৰম্ভ হ'ব।

২। নিৰ্মলা সীতাৰমনে আজি বিত্ত আৰু কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ লগতে নীতিন গাডকাৰীয়ে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ দায়িত্বভাৰ গ্ৰহণ কৰে।

৩। তেলুগু দেশম পাৰ্টিৰ মুৰব্বী নৰ চন্দ্ৰবাবু নাইডুৱে আজি অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে।

৪। অসম চৰকাৰে উচ্চতৰ মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়নৰত ছাত্ৰীক উপকৃত কৰিব পৰাকৈ মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিখন ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

আৰু

৫। ভাৰত আজি নিউয়ৰ্কত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন অহা ২৪ জুনত আৰম্ভ হ'ব। এই অধিৱেশনত নৱনিৰ্বাচিত সদস্যসকলৰ শপতগ্ৰহণ, অধ্যক্ষ নিৰ্বাচন, ৰাষ্ট্ৰপতিৰ ভাষণ আদিকে ধৰি আন কেতবোৰ বিষয় আলোচনা কৰা হ'ব। আনহাতে ৰাজ্যসভাৰ ২৬৪ সংখ্যক অধিৱেশন ২৭ জুনত আৰম্ভ হ'ব আৰু ৩ জুলাইত অন্ত পৰিব। কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয় যে, দেশৰ জনসাধাৰণে তেওঁলোকৰ নেতা নিৰ্বাচন কৰিলে আৰু এতিয়া দেশৰ সেৱা কৰাটোৱে হৈছে আমাৰ কৰ্তব্য। তেওঁ লগতে কয় যে, সংসদ হৈছে ১৪০ কোটি ভাৰতীয়ৰ আকাংক্ষা পূৰ্ণ কৰাৰ বাবে আলোচনা, সমালোচনা তথা বিতৰ্ক কৰাৰ উপযুক্ত মঞ্চ।

ooooooo

নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বিত্ত আৰু কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ দায়িত্বভাৰ গ্ৰহণ কৰে। কাৰ্যভাৰ গ্ৰহণ কৰি নৱনিযুক্ত মন্ত্ৰীগৰাকীয়ে তেওঁক পুনৰ বিত্ত আৰু কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ দায়িত্ব অৰ্পণ কৰা বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। একে সময়তে তেওঁ বিগত ১০টা বছৰৰ প্ৰধানমন্ত্ৰী মোদীৰ শক্তিশালী নেতৃত্ব তথা উন্নয়নমুখী প্ৰশাসনৰ বিষয়ে উল্লেখ কৰি কয় যে, তেওঁৰ এনে নেতৃত্বৰ বাবেই দেশখনে ভিন ভিন খণ্ডত সংস্কাৰমুখী পৰিৱৰ্তনৰ পথ দেখিবলৈ পোৱাৰ লগতে মজবুত অৰ্থনৈতিক শক্তি হিচাপে মূৰ দাঙি উঠিবলৈ সমৰ্থ হৈছে।

বিত্ত আৰু কৰ্প'ৰেট পৰিক্ৰমা মন্ত্ৰালয়ৰ অন্তৰ্গত ভিন ভিন বিভাগৰ সচিবসকলে বিভিন্ন আঁচনি সম্পৰ্কীয় বিষয়সমূহৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীক অৱগত কৰোৱাৰ পাছত তেওঁ কয় যে, দেশৰ নাগৰিকসকলৰ জীৱন-ধাৰণৰ মান সহজ হৈ উঠাটো নিশ্চিত কৰাৰ বাবে চৰকাৰ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। ২০১৪ চনত আৰম্ভ কৰা সংস্কাৰমূলক পদক্ষেপসমূহ অব্যাহত থাকিব বুলি উল্লেখ কৰি তেওঁ কয় যে, ইয়াৰ জৰিয়তে অৰ্থনীতিৰ বিকাশ আৰু সুস্থিৰতা অধিক বৃদ্ধি পাব।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ দায়িত্বভাৰ গ্ৰহণ কৰে। শ্ৰীগাডকাৰীয়ে মোদী ৩.০ কাৰ্যকালত পুনৰবাৰ তেওঁক পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে কয় যে, প্ৰধানমন্ত্ৰী মোদীৰ দূৰদৰ্শী নেতৃত্বৰ অধীনত অতি ক্ষীপ্ৰতাৰে ভাৰত বিশ্বমানৰ আধুনিক আন্তঃগাঁথনিৰে পৰিপূৰ্ণ হৈ উঠিব। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী অজয় তাম্তা আৰু হৰ্ষ মালহোট্ৰাইও আজি তেওঁলোকৰ দায়িত্বভাৰ গ্ৰহণ কৰে।

০০০০০০০০

তেলুগু দেশম পাৰ্টিৰ মুৰব্বী নৰ চন্দ্ৰবাবু নাইডুৱে আজি অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। ৰাজ্যখনৰ কৃষ্ণা জিলাৰ কেছাৰাপল্লী আই টি পাৰ্কত আয়োজিত এটা অনুষ্ঠানত ৰাজ্যপাল এছ্ আব্দুল নাজিৰে আজি দিনৰ ১১ বাজি ২৭ মিনিটত তেওঁক শপতবাক্য পাঠ কৰোৱায়। নৱনিযুক্ত মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্যখনৰ ২৪ গৰাকী নৱনিৰ্বাচিত বিধায়কেও আজি মন্ত্ৰী পৰিষদৰ সদস্য হিচাপে শপতগ্ৰহণ কৰে। এই সকলৰ মাজত জনসেনা পাৰ্টিৰ তিনিগৰাকী আৰু ভাৰতীয় জনতা পাৰ্টিৰ এগৰাকী সদস্যয়ো আছে। আজি মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰাসকলৰ মাজৰ অন্যতম কেইগৰাকীমান হ'ল জনসেনা পাৰ্টিৰ মুৰব্বী কে পৱন কল্যাণ, টি ডি পিৰ সাধাৰণ সম্পাদক নৰ লোকেশ আৰু জ্যেষ্ঠ বিজেপি নেতা সত্য কুমাৰ য়াদৱ।

আজিৰ শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী, কিষাণ ৰেড্ডী, চিৰাগ পাছৱানৰ লগতে অনুপ্ৰিয়া পেটেল, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দে, মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন য়াদৱ, দেশৰ প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু, প্ৰাক্তন মুখ্য ন্যায়াধীশ এন ভি ৰামান্না, চলচ্চিত্ৰ অভিনেতা চিৰঞ্জীৱী আৰু ৰজনীকান্তকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে এই শপতগ্ৰহণ অনুষ্ঠানত ছিংগাপুৰ, জাপান, দক্ষিণ কোৰিয়া, অষ্ট্ৰেলিয়া আৰু ফ্ৰান্সৰ কূটনীতিবিদসকলেও অংশগ্ৰহণ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাগত যোগ দিৱসৰ লগত সংগতি ৰাখি তেওঁৰ সামাজিক মাধ্যমত বৃক্ষাসন যোগাৰ এটা ভিডিঅ' প্ৰচাৰ কৰিছে। এই পোষ্টৰ জৰিয়তে তেওঁ বৃক্ষাসনৰ উপকাৰিতাৰ বিষয়ে জনসাধাৰণক অৱগত কৰোৱাৰ চেষ্টা কৰে। শ্ৰীমোদীয়ে কয় যে, বৃক্ষাসন বা বৃক্ষ ভংগীৰ শৰীৰ আৰু মনক নিয়ন্ত্ৰণ কৰাত সহায় কৰাৰ লগতে আন বহুতো উপকাৰিতা আছে।

০০০০০০০

অসম চৰকাৰে পূৰ্ব ঘোষিত মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিখন ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এখন সংবাদমেলত এই কথা ঘোষণা কৰি কয় যে, ৰাজ্যৰ মন্ত্ৰীসভাই আজি এই আঁচনিখনক আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰে। এই আঁচনি অনুসৰি একাদশ শ্ৰেণীত নামভৰ্তি কৰা প্ৰতিগৰাকী ছাত্ৰীয়ে মাহে এহেজাৰ টকাকৈ লাভ কৰিব। গৰমৰ বন্ধৰ দুটা মাহক বাদ দি উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ সমগ্ৰ সময়ছোৱাত প্ৰতি মাহৰ ১১ তাৰিখে সংশ্লিষ্ট ছাত্ৰীগৰাকীৰ একাউণ্টত এই ধন সোমাব বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে, তিনিবছৰীয়া অথবা চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমত অধ্যয়ন কৰা ছাত্ৰীসকলৰ বাবে এই আঁচনিৰ ধনৰ পৰিমান হ'ল এহেজাৰ ২৫০ টকা। আনহাতে বি এড পাঠ্যক্ৰমকে ধৰি স্নাতকোত্তৰ পাঠ্যক্ৰমত অধ্যয়ন কৰা প্ৰতিগৰাকী ছাত্ৰীয়ে মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ অধীনত ২ হাজাৰ ৫০০ টকাকৈ লাভ কৰি বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। বাল্য বিবাহ ৰোধৰ প্ৰতি লক্ষ্য ৰাখি এই আঁচনি প্ৰস্তুত কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে, উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰ্যায়ৰ কোনো বিবাহিতা ছাত্ৰীয়ে এই আঁচনিৰ সুবিধা লাভ কৰিব নোৱাৰিব।

০০০০০০০

জম্মু আৰু কাশ্মীৰৰ ৰিয়েছি জিলাত যোৱা দেওবাৰে সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ৰিয়েছি আৰু ৰাজৌৰী জিলাৰ গভীৰ অৰণ্যত একেৰাহে তৃতীয় দিনৰ বাবে সুৰক্ষা বাহিনীৰ বিশেষ তদন্তকাৰী গোটসমূহৰ অভিযান অব্যাহত আছে। ৰিয়েছি আৰক্ষীয়ে এই আক্ৰমণৰ সৈতে জড়িত সন্ত্ৰাসবাদীৰ যিকোনো তথ্যৰ বাবদ ২০ লাখ টকাৰ পুৰস্কাৰ দিয়া হ'ব বুলি ঘোষণা কৰিছে। আৰক্ষীয়ে ইতিমধ্যে প্ৰত্যক্ষদৰ্শীৰ বিৱৰণ অনুসৰি সন্ত্ৰাসবাদীকেইটাৰ স্কেটছ প্ৰস্তুত কৰাৰ লগতে জনসাধাৰণৰ বাবে যিকোনো ধৰণৰ নিৰ্ভৰযোগ্য তথ্য প্ৰদান কৰিবলৈ ৩টা টেলিফোন নম্বৰো মুকলি কৰিছে।

উল্লেখযোগ্য যে ৰিয়েছি জিলাৰ পৌনি অঞ্চলত দেওবাৰৰ সন্ধিয়া শিৱ খ'ৰি মন্দিৰৰ পৰা কাট্ৰা অভিমুখে তীৰ্থযাত্ৰী কঢ়িয়াই নিয়া এখন বাছ সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ফলত দ খাৱৈত বাগৰি পৰে। ইয়াৰ ফলত বাছৰ চালক আৰু কণ্ডাক্টৰসহ ৭ জন তীৰ্থযাত্ৰীৰ মৃত্যু হোৱাৰ লগতে ৪৩ জন লোক আহত হয়। এই আক্ৰমণৰ পাছতেই সমগ্ৰ অঞ্চলটোত এটা বৃহৎ সন্ত্ৰাসবাদ বিৰোধী অভিযান চলোৱা হৈছে আৰু এই সন্দৰ্ভত বহু লোকক সোধ-পোছ অব্যাহত আছে।

ইপিনে এই আক্ৰমণৰ এদিন পাছতেই জম্মুৰ কাঠোৱা আৰু দ'দা জিলাত সন্ত্ৰাসবাদীৰ সৈতে যোৱা দুটা নিশা ধৰি চলা সংঘৰ্ষত চি আৰ পি এফৰ এজন জোৱান নিহত হোৱাৰ লগতে ৬ জন জোৱান আহত হয়। আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা মতে ভাদৰৱা-পাঠানকোট পথৰ ছটৰগলাৰ সুউচ্চ অংশৰ এটা যুটীয়া তদাৰকী চকীত সন্ত্ৰাসবাদীৰ আক্ৰমণত ৰাষ্ট্ৰীয় ৰাইফলৰ ৫ জন সেনা জোৱান আৰু এজন বিশেষ আৰক্ষী বিষয়া আহত হয়। তদুপৰি কাঠোৱা জিলাৰ হীৰানগৰ খণ্ডৰ ছাইদা ছুখল গাঁৱত হোৱা গুলীয়াগুলিত এটা সন্ত্ৰাসবাদী নিহত হোৱাৰ লগতে চি আৰ পি এফৰ এজন জোৱান নিহত হয়।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা মোহন চৰণ মাঝিয়ে আজি সন্ধিয়া ওড়িশাৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। ভূৱনেশ্বৰৰ জনতা ময়দানত আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, কেন্দ্ৰীয় গৃহমন্ত্ৰী

অমিত শ্বাহ, কেন্দ্ৰীয় মন্ত্ৰী জুৰেল ওৰাম, অশ্বিনী বৈষ্ণৱ আৰু বিজেপি শাসিত ৰাজ্যৰ কেইবাগৰাকীও মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে বিজেপিৰ বিধায়িনী দলে কালি ৫২ বছৰীয়া মাঝিক সৰ্বসন্মতিক্ৰমে নেতা হিচাপে বাছনি কৰে।

০০০০০০০

ভাৰত আজি নিউয়ৰ্কৰ নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। দুয়োটা দল প্ৰতিযোগিতাত বৰ্তমানলৈ এখনো খেলত পৰাজিত হোৱা নাই। ইতিপূৰ্বে হৈ যোৱা খেলত ভাৰতে পাকিস্তান আৰু আয়াৰলেণ্ডৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰাৰ বিপৰীতে আমেৰিকাই কানাডা আৰু পাকিস্তানক পৰাভূত কৰিছে। ভাৰত উন্নত ৰান ৰেটৰ ভিত্তিত গ্ৰুপৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে। আনহাতে আমেৰিকা এই তালিকাৰ দ্বিতীয় স্থানত আছে।

এণ্টিগুৱাত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত অষ্ট্ৰেলিয়াই নামিবিয়াক ৯ উইকেটত পৰাস্ত কৰে। খেলখনত নামিবিয়াই নিৰ্ধাৰণ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়া ৭৩ ৰানৰ বিজয় লক্ষ্য অষ্ট্ৰেলিয়াৰ দলটোৱে মাত্ৰ ৫ অভাৰ আৰু ৪টা বলতেই অতিক্ৰম কৰে।

আনহাতে, ফ্লৰিডাত শ্ৰীলংকা আৰু নেপালৰ মাজত হ'বলগীয়া খেলখন প্ৰতিকূল বতৰৰ বাবে এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰা হয়।

আনহাতে নিউয়ৰ্কৰ নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত এখন খেলত পাকিস্তানে কানাডাক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত পাকিস্তানে ১০৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু তিনিটা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হয়। পাকিস্তানৰ মহম্মদ ৰিজৱানে ৫৩ আৰু বাবৰ আজমে ৩৩ ৰান কৰে।

০০০০০০০

প্ৰাক্তন ফুটবল খেলুৱৈ তথা প্ৰশিক্ষক টি কে চাথুন্নীৰ আজি পুৱা কেৰালাৰ এৰ্ণাকুলাম জিলাৰ কাৰুকুট্টিৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ। দেশৰ এগৰাকী অতি সফল ফুটবল প্ৰশিক্ষক হিচাপে পৰিচিত চাথুন্নী কোচিন এফ চি, চাৰ্চ্চিল ব্ৰাড্ৰাৰ্ছ, ডেম্প' এফ চি, মোহন বাগান, ছালগাওকাৰ আৰু কেৰালা আৰক্ষী ফুটবল দলকে ধৰি বহুকেইটা ফুটবল ক্লাবৰ প্ৰশিক্ষক হিচাপে আছিল।

০০০০০০০

সমাপ্ত